নং ঃ ২৩৭/২০২০

ৰাজ্যৰ প্ৰতিখন জিলাৰে ছেম্বাৰ্ছ অৱ্ কমাৰ্চৰ সভাপতিসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সযোগে মত-বিনিময় কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

# ৰাজ্যৰ ব্যৱসায়ী সমাজৰ প্ৰতি মুখ্যমন্ত্ৰীৰ আহ্বান

# 'হতাশ নহ'ব, এই দুঃসময়ত চৰকাৰ আপোনালোকৰ কাষত আছে'

**দিছপুৰ, ৫ মে' ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ৰাজ্যখনৰ আটাইকেইখন জিলাৰে ছেম্বাৰ্ছ অৱ্ কমাৰ্চৰ সভাপতিসকলৰ সৈতে এক ভিডিঅ' কনফাৰেন্সযোগে মত-বিনিময় কৰি লক্‌ডাউনৰ সময়ছোৱাত তেওঁলোকে সন্মুখীন হোৱা অসুবিধাৰ বুজ লোৱাৰ লগতে বিভিন্ন বিষয় আলোচনা কৰে।

বাৰ্তালাপৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মানৱ জাতিৰ ইতিহাসত প্ৰথমবাৰৰ বাবে কৰ'ণা ভাইৰাছৰ ৰূপত এক অদৃশ্য শত্ৰুৱে সমগ্ৰ বিশ্বৰ সন্মুখত অভাৱনীয় প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্ৰহণ কৰা সময়োপযোগী পদক্ষেপৰ ফলত কভিড-১৯ৰ বিৰুদ্ধে এই যুঁজত দেশে তুলনামূলকভাৱে যথেষ্ট অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে লকডাউনৰ ফলত অৰ্থনৈতিক দিশত দেশে বিপুল লোকচানৰ সন্মুখীন হৈছে। বৃহৎ উদ্যোগৰ পৰা আৰম্ভ কৰি মজলীয়া আৰু ক্ষুদ্ৰ ব্যৱসায়ী, কৃষক-শ্ৰমিক সকলো অৰ্থনৈতিকভাৱে লোকচানৰ সন্মুখীন হৈছে। ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনীতিৰ বিকাশত সৰু-বৰ প্ৰতিগৰাকী ব্যৱসায়ীৰে গুৰুত্বপূৰ্ণ ভূমিকা আছে বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয় যে ব্যৱসায়ীসকলে সন্মুখীন হোৱা ক্ষতিয়ে ৰাজ্যৰ অৰ্থনীতিকো পোনপটীয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। লকডাউনে ব্যৱসায়ীসকলৰ ওপৰত পেলোৱা নেতিবাচক প্ৰভাৱৰ কথা চৰকাৰে গভীৰভাৱে উপলব্ধি কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ প্ৰতি গভীৰ সহমৰ্মিতা প্ৰকাশ কৰে। এই পৰিস্থিতিত ব্যয়সায়ীসকলক হতাশ নহ'বৰ বাবে আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে এই দুঃসময়ত চৰকাৰ সদায়েই তেওঁলোকৰ কাষত আছে। আমাৰ সকলোৰে সন্মিলিত প্ৰচেষ্টাত এই সংকটৰ বিৰুদ্ধে যুঁজত আমি অচিৰেই জয়লাভ কৰিবলৈ সক্ষম হ'ম বুলি মুখ্যমন্ত্ৰীয়ে আশা ব্যক্ত কৰে।

প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ লকডাউনৰ সময়ত আগবঢ়োৱা সমৰ্থনৰ বাবে ব্যৱসায়ীসকলক ধন্যবাদ জ্ঞাপন কৰি তৃতীয় পৰ্যায়ৰ লকডাউনৰ সময়তো এই সহযোগিতা অব্যাহত ৰাখিবলৈ মুখ্যমন্ত্ৰীয়ে তেওঁলোকৰ প্ৰতি আহ্বান জনায়। অৰ্থনৈতিক ক্ষেত্ৰখন পুনৰ সক্ৰিয় কৰি তোলাৰ অংশ হিচাপে সম্প্ৰতি ব্যৱসায়িক কাম-কাজ সীমাবদ্ধতাৰ মাজত আৰম্ভ কৰিবলৈ অনুমতি দিয়াৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰী সোণোৱালে নিজা ব্যৱসায় মুকলি ৰখাৰ সময়ত সামাজিক ব্যৱধানৰ নীতি আৰু কৰ্মক্ষেত্ৰত পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পূৰ্ণৰূপে বৰ্তাই চলিবলৈ ব্যৱসায়ী সমাজৰ প্ৰতি আহ্বান জনায়।

লকডাউনৰ সময়ছোৱাত ৰাজ্যখনত অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহ আৰু উপলব্ধকৰণৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যখনৰ ব্যৱসায়ী সমাজৰ লগতে ছেম্বাৰ্ছ অৱ্ কমাৰ্চৰ প্ৰতি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

বাৰ্তালাপৰ সময়ত ছেম্বাৰ্চ্ছ অব্ কমাৰ্চৰ সভাপতিসকলে উত্থাপন কৰা বিভিন্ন প্ৰসংগ, যেনে ব্যৱসায়ীসকলৰ স্বাৰ্থত সান্ধ্যআইনৰ সময়সীমাৰ কিছু সালসলনি ঘটোৱা, হোটেল-ৰেষ্টুৰেণ্ট বা আন ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ মাহেকীয়া ভাড়া আদায় লোৱাৰ ক্ষেত্ৰত কিছু শিথিল হোৱাৰ বাবে মালিকসকলক আহ্বান জনোৱা আদি বিষয়ত ৰাজ্য চৰকাৰে সহানুভূতিৰে বিবেচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰে।

অসম ছেম্বাৰ্চ্ছ অব্ কমাৰ্চৰ অধ্যক্ষ ৰূপম গোস্বামীয়ে আঁত ধৰা আজিৰ এই ভি'ডিঅ' কনফাৰেন্সযোগে মত-বিনিময়ৰ সময়ত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া আৰু অসম ছেম্বাৰ্চ্ছ অব্ কমাৰ্চৰ সভাপতি সঞ্জীৱ নাৰায়ণো উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / স্বাক্ষৰ**
**০৫/০৫/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in